**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

---

**নংঃ ৫৭৪/২০১৯**

**বন বিভাগৰ এন্টি ডিপ্ৰেডেশ্যন স্কোৱাড আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে**

# মানুহ আৰু বন্যপ্ৰাণীৰ সংঘাত হ্ৰাস কৰাৰ দিশত আমি সকলোৱে মিলিত প্ৰচেষ্টা চলাব লাগিবঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৫ ডিচেম্বৰ ঃ** ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত সংঘটিত হৈ থকা মানুহ আৰু বন্যপ্ৰাণীৰ সংঘাত ৰোধ কৰাৰ উদ্দেশ্যৰে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি আনুষ্ঠানিকভাৱে মানুহ আৰু বন্যপ্ৰাণী সংঘাতপ্ৰৱণ ১৫ খন জিলাৰ বাবে ১৫ টা এন্টি ডিপ্ৰেডেশ্যন স্কোৱাডৰ শুভৰাম্ভ কৰে। উল্লেখ্য যে বন বিভাগে প্ৰশিক্ষণকে আদি কৰি সকলো ব্যৱস্থা প্ৰদানেৰে ইয়াৰ বাবে ৫০ জনকৈ ফ্ৰন্ট লাইন সদস্য নিযুক্ত কৰিছে। অচিৰেই ১০০ জনতকৈও অধিক আৰু এনে সদস্যক বন বিভাগে প্ৰশিক্ষণ প্ৰদান কৰিব। এই এন্টি ডিপ্ৰেডেশ্যন স্কোৱাডক সংঘাতৰ সম্ভাব্য পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিব পৰাকৈ সদ্যহতে ১৫০ টা ব'ৰ পাম্প একশ্যন গান আৰু ১৫ হাজাৰ ৰাউণ্ড ৰাবাৰ বুলেট প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

এই উপলক্ষে অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত পৰিৱেশ আৰু বন বিভাগৰ দ্বাৰা আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে মানুহ আৰু বন্য জন্তুৰ জীৱন হানি হোৱা ঘটনা অত্যন্ত মৰ্মান্তিক আৰু এই স্কোৱাডে মানুহ আৰু বন্যপ্ৰাণীৰ সংঘাত লাঘৱ কৰাৰ দিশত জনসাধাৰণক সজাগ আৰু সচেতন কৰাৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব। মানুহ আৰু বন্যপ্ৰাণীৰ শান্তিপূৰ্ণ সহাৱস্থান একান্ত জৰুৰী আৰু এই স্কোৱাডে এনেকুৱা সংঘাত নিৰাময়ৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। মুখ্যমন্ত্ৰীয়ে এই সংঘাত নিৰাময়ৰে প্ৰাণ হানিকৰ ঘটনা একেবাৰে নোহোৱা কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰি এই স্কোৱাডৰ সৈতে জনসাধাৰণক সক্ৰিয় ভাবে সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবেও আহ্বান জনায়।

আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে স্কোৱাডৰ সদস্য সকলক অস্ত্ৰ আৰু অন্যান্য সা-সঁজুলি প্ৰদান কৰে।

আজিৰ এই অনুষ্ঠানত পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্যও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত জলসম্পদ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত,প্ৰধান মুখ্য বন সংৰক্ষক এ এন সিঙকে ধৰি জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

**স্বাঃডেঃ / বঃভাঃ / পুঃডেঃ**
**৫/১২/২০১৯**